প্ৰেছ বিজ্ঞপ্তি
৩১ জানুৱাৰী, ২০১৯

# ক্ষিপ্ৰ শুধৰণীমূলক কাৰ্যব্যৱস্থা পৰিকাঠামো

বৰ্তমান ক্ষিপ্ৰ শুধৰণীমূলক কাৰ্যব্যৱস্থা পৰিকাঠামো (PCAB)ৰ অন্তৰ্গত ৰাজহুৱা খণ্ড বেংকসমূহৰ কেইটামান বেংকত সম্পদ সম্পৰ্কীয় ৰিটাৰ্ণ (ROA) বাদে, ২০১৮ৰ ডিচেম্বৰত শেষ হোৱা ত্ৰৈমাসিকৰ বাবে প্ৰকাশিত ফলাফল মতে PCA স্থিতিমাপবোৰৰ উলংঘন হোৱা নাই। অৱশ্যে ROA নেতিবাচক হৈ থাকিলেও, মূলধনী পৰ্যাপ্ততা সূচকত সেইটো প্ৰতিফলিত হৈছে। এই বেংককেইটাই এই মৰ্মে লিখিত প্ৰতিশ্ৰুতি দিছে যে তেওঁলোকে অবিৰতভাৱে ন্যূনতম মূলধনী আচাৰ, শুদ্ধ অনুৎপাদনশীল সম্পদ (NPA) আৰু উত্তোলন অনুপাত অনুপালন কৰি যাব আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকক তেওঁলোকে কাৰ্যকৰী কৰা সংৰচনাত্মক তথা প্ৰণালীয় উন্নতি সাধনৰ বিষয়ে অৱগত কৰাইছে যিবোৰে এই প্ৰতিশ্ৰুতিবোৰ পূৰণ কৰি যোৱাত সহায় কৰিব। অধিকন্তু, চৰকাৰেও আশ্বাস দিছে যে চলিত বিত্তীয় বছৰটোত বেংকভিত্তিক আবণ্টনৰ বেলিকা এই বেংককেইটাৰ মূলধন আৱশ্যকতাক সমুচিত বিবেচনা কৰা হব।

ওপৰোক্ত সকলোখিনি বিবেচনা কৰি, এই মৰ্মে সিদ্ধান্ত লোৱা হল যে বেংক অব ইণ্ডিয়া আৰু বেংক অব মহাৰাষ্ট্ৰ, যিনিকৈ মূলধন সংৰক্ষণ বাফাৰ (CCB)কে ধৰি নিয়ামক আচাৰবোৰ পালন কৰিছে আৰু তৃতীয় ত্ৰৈমাসিক ফলাফল মতে যাৰ NPA ৬ শতাংশ কমত আছে, তেওঁলোকক কেইটামান চৰ্ত আৰু ধাৰাবাহিক নিৰীক্ষণ সাপেক্ষে PCA পৰিকাঠামোৰ বাহিৰলৈ অনা হওক। ওৰিয়েণ্টেলে বেংক অব কমাৰ্চৰ ক্ষেত্ৰত, যদিওবা প্ৰকাশিত তৃতীয় ত্ৰৈমাসিকৰ ফলাফল মুতে NPA ৭.১৫ শতাংশৰ কমত আছিল, চৰকাৰে ইতিমধ্যে বুজন মূলধন সঞ্চাৰ কৰিছে আৰু বেংকটোৱে NPAৰ পৰিমাণ ৬ শতাংশ তললৈ আনিছে। এতেকে, ওৰিয়েণ্টেলে বেংক অব কমাৰ্চত আৰোপিত বাধানিষেধবোৰ কেইটামান চৰ্ত আৰু ধাৰাবাহিক নিৰীক্ষণ সাপেক্ষে আঁতৰাবলৈ সিদ্ধান্ত লোৱা হল।

আৰ বি আয়ে বিভিন্ন স্থিতিমাপৰ অধীনত এই বেংককেইটাৰ কাম-কাজ অহৰহ নিৰীক্ষণ কৰি থাকিব।

জোছ. জে. কাট্টুৰ
মুখ্য মহা প্ৰবন্ধক

**प्रेस प्रकाशनी: 2018-2019/1807**

প্ৰেছ বিজ্ঞপ্তি - ২০১৮-১৯/১৮০৭